PG S1-01 (AEC)

দুই বছৰীয়া স্নাতকোত্তৰ পাঠ্যক্ৰম

(চি.বি.চি.এচ., এন.ই.পি. ২০২০ অনুসৰি)

প্ৰথম ষাণ্মাসিক

প্ৰায়োগিক অসমীয়া

সক্ষমতা বিকাশ পাঠ্যবিষয়

পদ্মনাথ গোহাঞিবৰুৱা মানৱিকী বিদ্যা অধ্যয়ন সত্ৰ

কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়

বিষয় বিশেষজ্ঞ মণ্ডলী

ড° দীপ্তি ফুকন পাটগিৰি, অধ্যাপক, (অৱসৰপ্ৰাপ্ত), অসমীয়া বিভাগ, গুৱাহাটী বিশ্ববিদ্যালয়
ড° উপেন ৰাভা হাকাচাম, অধ্যাপক, অসমীয়া বিভাগ, গুৱাহাটী বিশ্ববিদ্যালয়
ড° বিমল মজুমদাৰ, অধ্যাপক, অসমীয়া বিভাগ, গুৱাহাটী বিশ্ববিদ্যালয়

পাঠ্যবিষয়ৰ সমন্বয়ৰক্ষী ঃ ড° সঞ্জীৱ বৰা, সহকাৰী অধ্যাপক, কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়

প্রস্তুতি গোটৰ সদস্য

অধ্যায়	অধ্যায়ৰ নাম	লেখক
১	বর্ণ আৰু আখৰ	ড° অপূর্ব কুমাৰ ডেকা, আইডল, গু.বি.
২	বাক্য সজ্জা	ড° অপূর্ব কুমাৰ ডেকা, আইডল, গু.বি.
৩	প্রত্যয় আৰু বিভক্তি	ড° হৰি প্রসাদ বৰুৱা, লো.অ.কু.দা.মহাবিদ্যালয়, ড° মনালিচা বৰা, এছ.বি.এম.এছ.ক
৪	কাৰক, লিংগ আৰু বচন	ড° হৰি প্রসাদ বৰুৱা, লো.অ.কু.দা.মহাবিদ্যালয়, ড° মনালিচা বৰা, এছ.বি.এম.এছ.ক
৫	সন্ধি আৰু সমাস	ড° হৰি প্রসাদ বৰুৱা, লো.অ.কু.দা.মহাবিদ্যালয়, ড° মনালিচা বৰা, এছ.বি.এম.এছ.ক
৬	জতুৱা ঠাচ আৰু ভাৰ সম্প্রসাৰণ	ড° মাধৱ চন্দ্র বৰুৱা, শিৱসাগৰ মহাবিদ্যালয়
৭	ৰচনা লিখাৰ সাধাৰণ প্রণালী	ড° মাধৱ চন্দ্র বৰুৱা, শিৱসাগৰ মহাবিদ্যালয়
৮	লেখনী নির্মাণ	সপোন দুৱৰা, প্রাক্তন অধ্যক্ষ, আইকন একাডেমী
৯	বিশেষ প্রৱন্ধ লিখাৰ কৌশল	সপোন দুৱৰা, প্রাক্তন অধ্যক্ষ, আইকন একাডেমী
১০	বৃত্তান্ত ঃ ইয়াৰ বিভিন্ন ৰূপ	ড° পি. এচ. মিশ্র, কটন বিশ্ববিদ্যালয়
১১	ভাষা দক্ষতা	সপোন দুৱৰা, প্রাক্তন অধ্যক্ষ, আইকন একাডেমী, ড° নিভা ৰাণী ফুকন, কৃ.স.ৰা.মু.বি.
১২	সংবাদ মাধ্যমৰ বাবে লিখাৰ উৎস	টিনম বৰা, তেজপুৰ বিশ্ববিদ্যালয়
১৩	সমীক্ষা লেখন	সপোন দুৱৰা, প্রাক্তন অধ্যক্ষ, আইকন একাডেমী
১৪	বিজ্ঞাপন	সপোন দুৱৰা, প্রাক্তন অধ্যক্ষ, আইকন একাডেমী

সম্পাদনা

বিষয়বস্তু আৰু ভাষা সম্পাদনা ঃ ড° নিভা ৰাণী ফুকন, কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়

ড° সঞ্জীৱ বৰা, সহকাৰী অধ্যাপক, কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয় (অধ্যায় ১১)
গাঁথনিক সম্পাদনা ঃ ড° নিভা ৰাণী ফুকন, কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়

জুলাই, ২০২৩

This Self Learning Material (SLM) of the Krishna Kanta Handiqui State Open University is made available under a Creative Commons Attribution-Non Commercial-Share Alike 4.0 License (international) http://creativecommons.org/licenses/by-nc-sa/4.0/

কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়ৰ হৈ পঞ্জীয়কৰ দ্বাৰা মুদ্রিত আৰু প্রকাশিত।

মুখ্য কার্যালয় ঃ পাটগাঁও, ৰাণী গেট, গুৱাহাটী - ৭৮১ ০১৭
নগৰ চৌহদ ঃ ৰেচম নগৰ, খানাপাৰা, গুৱাহাটী - ৭৮১০২২; www.kkhsou.in

বিষয়সূচী

পৃষ্ঠা নং

অধ্যায় ১ **বর্ণ আৰু আখৰ** ৭-১৬
বর্ণ বা আখৰ, ধ্বনি, বর্ণ বা আখৰ আৰু ধ্বনিৰ সম্পর্ক, অসমীয়া স্বৰ আৰু ব্যঞ্জন ধ্বনি,
অসমীয়া ভাষাৰ আখৰ, উচ্চাৰণৰ স্থান অনুসৰি বর্ণৰ ভাগ, চন্দ্রবিন্দুৰ ব্যৱহাৰ, ণত্ববিধি আৰু ষত্ববিধি

অধ্যায় ২ **বাক্য সজ্জা** ১৭-২৩
অসমীয়া ভাষাৰ বাক্যৰীতি ঃ উদ্দেশ্য আৰু বিধেয়, বাক্যৰ শ্রেণীবিভাজন,
বাচ্য, উক্তি, বাক্যত পদৰ ক্রম, বাক্যাংশ আৰু খণ্ডবাক্য, বাক্যাংশ আৰু খণ্ডবাক্যৰ প্রভেদ

অধ্যায় ৩ **প্রত্যয় আৰু বিভক্তি** ২৪-৩৩
প্রত্যয় ঃ কৃত প্রত্যয়, তদ্ধিৎ প্রত্যয়, নির্দিষ্টতাবাচক প্রত্যয়,
বিভক্তি ঃ নাম বিভক্তি বা কাৰক বিভক্তি, ক্রিয়া বিভক্তি, বিভক্তি আৰু প্রত্যয়ৰ পার্থক্য, উপসর্গ

অধ্যায় ৪ **কাৰক, লিংগ আৰু বচন** ৩৪-৪৮
কাৰকৰ সংজ্ঞা, কাৰকৰ ভাগ, লিংগৰ সংজ্ঞা, লিংগৰ ভাগ, লিংগ বিচাৰৰ নিয়ম,
বচনৰ সংজ্ঞা, বচনৰ ভাগ

অধ্যায় ৫ **সন্ধি আৰু সমাস** ৪৯-৫৮
স্বৰ সন্ধি, ব্যঞ্জন সন্ধি, দ্বন্দ্ব সমাস, দ্বিগু সমাস, বহুব্রীহি সমাস,
কর্মধাৰয় সমাস, তৎপুৰুষ সমাস, অব্যয়ভাৰ সমাস

অধ্যায় ৬ **জতুৰা ঠাঁচ আৰু ভাৰ সম্প্রসাৰণ** ৫৯-৬৮
জতুৰা ঠাঁচ আৰু খণ্ডবাক্য, ভাৰ সম্প্রসাৰণ, সাৰাংশ লিখন

অধ্যায় ৭ **ৰচনা লিখাৰ সাধাৰণ প্রণালী** ৬৯-৭৭
ৰচনা কি, ৰচনা লিখাৰ নীতি, ৰচনাৰ শ্রেণী বিভাগ

অধ্যায় ৮ **লেখনী নির্মাণ** ৭৮-৯৭
লেখনীৰ সুসঙ্গত গঠন; অনুচ্ছেদ নির্মাণ; অনুচ্ছেদ লেখন প্রক্রিয়া; প্রৱন্ধ/ ৰচনা নির্মাণ; লেখনীৰ সম্পাদনা

অধ্যায় ৯ **বিশেষ প্রৱন্ধ লিখাৰ কৌশল** ৯৮-১১০
বিশেষ প্রৱন্ধৰ অর্থ, বিশেষ প্রৱন্ধৰ বিভিন্ন প্রকাৰ- সাক্ষাৎকাৰভিত্তিক প্রৱন্ধ, তথ্যভিত্তিক প্রৱন্ধ,
বিশেষ ব্যক্তিক কেন্দ্র কৰি লিখা প্রৱন্ধ, ফিচাৰেটচ্, সংবাদভিত্তিক প্রৱন্ধ আৰু মানৱীয় আগ্রহ
বৃদ্ধিকাৰী প্রৱন্ধ, বিশেষ প্রৱন্ধ নির্মাণ কৌশল

অধ্যায় ১০ **বৃত্তান্ত ঃ ইয়াৰ বিভিন্ন ৰূপ** **১১১-১৩০**
বৃত্তান্ত কি; বৃত্তান্ত কথন, কথক, বৃত্তান্তৰ ধৰণ, বৃত্তান্তৰ দৃষ্টিভংগী, শ্রোতা নাইবা সম্বোধিত ব্যক্তি; কথনৰ প্রকাৰ; কথনৰ উপাদান; বৃত্তান্তৰ বর্ণনা উপযুক্ততা আৰু বিশ্বাসযোগ্যতা; ৰৈখিক আৰু অ-ৰৈখিক বৃত্তান্তৰ গাঁথনি; বৃত্তান্তৰ অনুচ্ছেদ; প্রৱন্ধ ৰচনাত বৃত্তান্ত

অধ্যায় ১১ **ভাষা দক্ষতা** **১৩১-১৪১**
শব্দকোষ-শব্দৰ বাছনি; একাধিক অর্থ থকা শব্দ; সমার্থক আৰু বিপৰীত শব্দ, বাক্য গাঁথনি; কিছুমান সাধাৰণ ভুল

অধ্যায় ১২ **সংবাদ মাধ্যমৰ বাবে লিখাৰ উৎস** **১৪২-১৫১**
উৎসৰ প্রকাৰ; সংবাদ উৎসৰ বিকাশ; নীতিগত দিশ আৰু আৰোপিত বৈশিষ্ট্য

অধ্যায় ১৩ **সমীক্ষা লেখন** **১৫২-১৭৮**
গ্রন্থ সমীক্ষাৰ কলা; চলচ্চিত্র সমীক্ষাৰ কলা; নাট্য সমীক্ষাৰ কলা; সংগীত সমীক্ষাৰ কলা

অধ্যায় ১৪ **বিজ্ঞাপন** **১৭৯-১৯৭**
পৰিচয়ঃ বিজ্ঞাপন কি; বিজ্ঞাপনৰ প্রধান ধাৰণাসমূহ; কপি ৰাইটিং; ৰেডিঅ' কপি; টেলিভিছন কপি

প্রসঙ্গ পুথি ১৯৮-১৯৯

পাঠ্যবিষয়ৰ পৰিচয় ঃ প্ৰায়োগিক অসমীয়া

এইখন স্নাতকোত্তৰ (চি.বি.চি.এচ) পাঠ্যক্ৰমৰ প্ৰথম ষাণ্মাসিকৰ পদ্মনাথ গোহাঞি বৰুৱা মানৱিকী বিদ্যা অধ্যয়ন সত্ৰৰ অসমীয়া অধ্যয়নে আগবঢ়োৱা সক্ষমতা বিকাশ পাঠ্যবিষয় (AEC)। পাঠ্যবিষয়টিত অসমীয়া ভাষাৰ প্ৰায়োগিক কেতবোৰ দিশ আলোচনা কৰি অসমীয়া ব্যাকৰণৰ সৈতে শিক্ষাৰ্থীক পৰিচয় কৰাই দিয়াৰ লগতে শব্দভাণ্ডাৰ, আখ্যানৰ প্ৰায়োগিক লিখনীৰ সহায়ক হোৱাকৈ বিষয়বস্তুৰ চিত্ৰণ কৰা, লেখা সম্পৰ্কে শিক্ষাৰ্থীক কৌশলী কৰি তোলাই এই পাঠ্যবিষয়ৰ উদ্দেশ্য । এই পাঠ্যবিষয় অধ্যয়নৰ পাছত শিক্ষাৰ্থীসকলে তেওঁলোকৰ কথা কোৱা আৰু লিখাৰ কলা-কৌশল বিকাশ হ'ব আৰু শিক্ষাৰ্থীসকলে বিভিন্ন গণমাধ্যমত নিজৰ দক্ষতা প্ৰদৰ্শন কৰিব পাৰিব বুলি আশা কৰা হৈছে।

পাঠ্যবিয়ৰ প্ৰথম অধ্যায়ত বৰ্ণ বা আখৰ, ধ্বনি, অসমীয়া স্বৰ ধ্বনি আৰু ব্যঞ্জন ধ্বনি, ণত্ববিধি আৰু ষত্ববিধি সম্পৰ্কে আলোচনা কৰা হৈছে। দ্বিতীয় অধ্যায়ত অসমীয়া ভাষাৰ বাক্যৰীতিয়ে সামৰি লোৱা উদ্দেশ্য, বিধেয়, বাচ্য, উক্তি, পদৰ ক্ৰমৰ লগতে বাক্যৰ বিভিন্ন শ্ৰেণীবিভাজন সম্পৰ্কে ধাৰণা লাভ কৰিব পাৰিব। তৃতীয় অধ্যায়ত প্ৰত্যয় আৰু বিভক্তি আটাইবোৰ দিশ আলোচনা কৰা হৈছে। একেদৰেই চতুৰ্থ আৰু পঞ্চম অধ্যায়ত ক্ৰমে কাৰক, লিংগ, বচন আৰু সন্ধি প্ৰকৰণৰ লগতে সমাসৰ বিভিন্ন ভাগৰ সৈতে চিনাকি হ'ব পাৰিব। ষষ্ঠ অধ্যায়ত অসমীয়া জতুৱা ঠাঁচ, খণ্ডবাক্য আৰু ভাৱ সম্প্ৰসাৰণ, সাৰাংশ লিখনৰ দিশবোৰ আলোচিত হৈছে। ৰচনা কি, ৰচনা লিখাৰ সাধাৰণ নিয়ম, বিভিন্ন ৰচনাৰ শ্ৰেণীবিভাগ সম্পৰ্কে সপ্তম অধ্যায়ত আলোচনা কৰা হৈছে। অষ্টম অধ্যায়ত যতিচিন, অনুচ্ছেদ নিৰ্মাণ, অনুচ্ছেদ লেখন, ৰচনা আৰু নিজৰ লেখনী সম্পাদনাৰ কৌশল সম্পৰ্কে অষ্টম অধ্যায়ত আলোচিত হৈছে। নৱম অধ্যায়ত বিশেষ প্ৰবন্ধ বিষয়ে আলোচনা কৰা হৈছে। বিভিন্ন প্ৰবন্ধৰ ভাগ আৰু নিৰ্মাণ কৌশল এই আধ্যায়ত আলোচিত হৈছে। বৃত্তান্ত কি, ইয়াৰ ধৰণ-দৃষ্টিভংগী, কথনৰ প্ৰকাৰ, উপাদানকে সামৰি আনবোৰ দিশ দশম আধ্যায়ত আলোচনা কৰা হৈছে । একাদশ অধ্যায়ত ভাষা দক্ষতাৰ শিতানত শব্দকোষ-শব্দৰ বাছনি, একাধিক অৰ্থ থকা শব্দ, সমাৰ্থক শব্দ, বিপৰীত শব্দ, বাক্য গাঁথনি, সততে হোৱা সাধাৰণ ভুলৰ আলোচনা কৰা হৈছে। দ্বাদশ অধ্যায়ত সংবাদ মাধ্যমৰ বাবে লিখাৰ উৎসৰ বিকাশ, নীতিগত দিশৰ আলোচনা আগবঢ়োৱা হৈছে। ত্ৰয়োদশ অধ্যায়ত সমীক্ষা লেখনৰ বিষয়ে আলোচনা কৰা হৈছে। এই আলোচনাত গ্ৰন্থ সমীক্ষাৰ কলা, চলচ্চিত্ৰ সমীক্ষাৰ, নাট্য সমীক্ষাৰ লগতে সংগীত সমীক্ষাৰ পৰিচয় আৰু কৌশল লাভ কৰিব। চতুৰ্দশ অধ্যায়ত বিজ্ঞাপন, ইয়াৰ ধাৰণা, ৰেডিঅ' টেলিভিছনৰ বাবে কপি লেখনৰ বিষয়ে অৱগত হ'ব। অসমীয়া ভাষাৰ প্ৰায়োগিক দিশৰ এইসমূহ আলোচনাই শিক্ষাৰ্থীসকলক অসমীয়া ভাষাত লিখা আৰু কোৱাৰ কৌশল বৃদ্ধি কৰিব বুলি আশা কৰিব পাৰি।

এই পাঠ্যবিষয়খন অধ্যয়ন কৰোঁতে মূল পাঠৰ সোঁ তথা বাওঁফালে কিছুমান আয়তাকাৰ বাকচ লক্ষ্য কৰিব। এইবোৰত মূল পাঠত থকা নতুন শব্দ আৰু পৰিভাষাসমূহৰ অৰ্থ সন্নিৱিষ্ট হৈছে। সেইদৰে— 'জানি থোৱা ভাল' বাকচবোৰত মূল পাঠৰ সৈতে জড়িত কিছু গুৰুত্বপূৰ্ণ তথ্যৰ সম্ভেদ আছে। প্ৰতিটো অধ্যায়ত থকা 'চিন্তা-চৰ্চা কৰক'সমূহে অধ্যয়ন অধিক সক্ৰিয় আৰু ফলপ্ৰসূ হোৱাত সহায় কৰিব। আকৌ, 'অগ্ৰগতি নিৰীক্ষণ' যোগে আগবঢ়োৱা প্ৰশ্নাৱলীয়ে অধ্যয়নৰ অগ্ৰগতি সম্পৰ্কে স্ব-পৰীক্ষণৰ সুবিধা দিব। উক্ত প্ৰশ্নাৱলীৰ উত্তৰসমূহৰ ৰূপৰেখা 'অগ্ৰগতিৰ খতিয়ান'ত সন্নিবিষ্ট কৰা হৈছে। তাৰ সহায়েৰে আপুনি প্ৰশ্নবোৰৰ উত্তৰসমূহ লিখিবলৈ যত্ন কৰিলে অধিক লাভদায়ক হ'ব। অধ্যায়টিত আলোচিত বিভিন্ন ধাৰণাসমূহৰ বিষয়ে বিস্তৃত অধ্যয়নৰ বাবে 'অধিক জানিবলৈ' শিতানত উল্লেখ থকা গ্ৰন্থসমূহ সাৰথিস্বৰূপ। অধ্যায়বোৰৰ শেষত 'আৰ্হি প্ৰশ্ন' হিচাপে কেইটিমান প্ৰশ্নৰ আৰ্হিও তুলি দিয়া হৈছে। শেষৰ অধ্যায়টিৰ পাছত কেইখনমান 'প্ৰসঙ্গ পুথি'ৰ নাম উল্লেখ কৰা হৈছে। সেই কেইখন পুথিৰ সহায়েৰেই মূলতঃ এই পাঠ্যবিষয়ত উল্লেখ থকা অধ্যায়সমূহ প্ৰস্তুত কৰা হৈছে। আপোনালোকে বিশদভাৱে কোনো বিষয় জানিবলৈ হ'লে সেই কেইখন অধ্যয়ন কৰিব পাৰিব।